# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-02-2025
**Time :** 1715 Hrs

## ***Assamese Evening Bulletin***
### ***HEADLINES***
**- - - - - - - - - - - - - - -**

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হয়। আজিৰ এই বৈঠকত বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত অন্তৰ্ভুক্ত ৩৮টা বিষয়ে আলোচনা কৰা হয়। জনজাতীয় বেল্ট ব্লকৰ আৰ্হিত ৰাজহ চক্ৰ গঠন, ব্ৰহ্মপুত্ৰ উপত্যকাৰ ইংৰাজী মাধ্যমৰ সকলো বিদ্যালয়ত অসমীয়া ভাষা বাধ্যতামূলক কৰা, বিটিচিত বড়ো আৰু অসমীয়া দুয়োটা ভাষা বাধ্যতামূলক কৰাৰ বিষয়ে বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্য চৰকাৰৰ উদ্যোগত অসমীয়া জাতিৰ ইতিহাস প্ৰণয়ন কৰাৰ বাবেও বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ আন এটা সিদ্ধান্ত অনুসৰি ২০২৬ চনৰ শিক্ষাবৰ্ষৰ পৰা অষ্টম শ্ৰেণীলৈ অসম বুৰঞ্জী বিষয়টো বাধ্যতামূলক কৰা হ'ব। ৰাজ্য চৰকাৰৰ সকলো জাননী অহা ব'হাগ মাহৰ পৰা ইংৰাজীৰ লগতে অসমীয়াত প্ৰকাশ কৰাৰ সিদ্ধান্তও বৈঠকত গ্ৰহণ কৰা হয়। ১৪ এপ্ৰিলৰ পৰা এই সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা হ'ব বুলি আছুৰ নেতৃত্বই প্ৰকাশ কৰিছে। অৱশ্যে ইয়াৰ পূৰ্বে ১০ মাৰ্চৰ ভিতৰত ৰাজ্য চৰকাৰৰ সৈতে সদৌ অসম ছাত্ৰ সন্থা পুনৰ মিলিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু উচ্চস্তৰীয় সমিতিৰ সৈতে হোৱা বৈঠকত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, আছুৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনকে ধৰি সংগঠনটোৰ শীৰ্ষ বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

গুৱাহাটীত অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া বিনিয়োগ আৰু আন্তঃগাঁথনি বিষয়ক শীৰ্ষ সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত আছে। মন্ত্ৰী কেশৱ মহন্তই আজি পুৰা খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত প্ৰদৰ্শনী উপ-সমিতিৰ বিষয়াসকলৰ সৈতে প্ৰদৰ্শনথলী পৰিদৰ্শন কৰে। মন্ত্ৰী শ্ৰীমহন্তই আন্তৰ্জাতিক মানৰ প্ৰদৰ্শনীৰ আয়োজনৰ সৈতে জড়িত বিভিন্ন দিশ পৰ্যবেক্ষণ কৰাৰ লগতে বিষয়াবৰ্গ আৰু ইভেণ্ট মেনেজমেণ্ট প্ৰতিষ্ঠানৰ কাৰ্যবাহীৰ সৈতে প্ৰদৰ্শনথলীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

০০০০০

কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ত আজি অনুষ্ঠিত বিশ্ববিদ্যালয়খনৰ তৃতীয় সমাৱৰ্তন অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে এই অনুষ্ঠানত স্নাতক, স্নাতকোত্তৰ আৰু পি এইচ ডি ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত ৩ হাজাৰ ৫২৭ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ৫০ গৰাকী পি এইচ ডি আৰু ৩০ গৰাকী স্বৰ্ণ পদক লাভ কৰা ছাত্ৰ-ছাত্ৰী আছে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে প্ৰমাণপত্ৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰি বিদ্যায়তনিক সীমাৰ উৰ্ধলৈ গৈ মনৰ দিগন্ত প্ৰসাৰ কৰাৰ

বাবে শিক্ষা আহৰণ কৰিবলৈ আহ্বান জনায়। তেওঁ নতুন শিক্ষানীতি অনুসৰি ভাৰতকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ ৰূপায়ণৰ দ্বাৰা দেশক বহনক্ষম ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰ ঘটোৱাত বৰঙণি যোগাবলৈ আহ্বান জনায়। এই অনুষ্ঠানত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য, অধ্যাপক বাবুলাল আহুজাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

বাক্সা জিলাৰ আনন্দ বজাৰত থকা শংকৰদেৱ শিশু নিকেতনত আজি দিনজোৱা কাৰ্যসূচীৰে সদৌ অসম সত্ৰ মহাসভাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, শ্বহিদ তৰ্পণ, গছপুলি ৰোপণ, নাম-কীৰ্তনকে ধৰি কেইবাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দিনৰ ভাগত মৰিগাওঁৰ শ্ৰীশ্ৰীলাইআটি সত্ৰৰ সত্ৰাধিকাৰ ড° সুনীল কুমাৰ গোস্বামীৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত অংশ লোৱাৰ পাছত সাংবাদিকৰ আগত বিধায়ক ফণীধৰ তালুকদাৰে সত্ৰখনৰ চৌহদৰ পকী বেৰ নিৰ্মাণৰ বাবে সাহায্য আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰে। সত্ৰখনে ৰাজ্য চৰকাৰৰ আঁচনি অনুসৰি ১০ লাখ টকা ইতিমধ্যে লাভ কৰিছে বুলিও তেওঁ জানিবলৈ দিয়ে।

ooooo

লাওখোৱা বুঢ়াচাপৰি অভয়াৰণ্যলৈ পৰ্যটক তথা দৰ্শনাৰ্থীক আকৰ্ষণৰ লক্ষ্যৰে অভয়াৰণ্যখনত শিমলু উৎসৱৰ আয়োজন কৰা হৈছে। শিমলু গছেৰে ভৰপুৰ অৰণ্যখনত ফাগুনৰ শিমলু ফুলাৰ বতৰ চমু চাপি অহাৰ লগে লগে এই উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে চাইক্লিঙৰ শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত নগাঁৱৰ বিভিন্ন বিদ্যালয় -মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন সংস্থাৰ প্ৰতিনিধিয়ে অংশ লয়।

ooooo

চিৰাং জিলাৰ বিজনীৰ বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক তথা অসম আন্দোলনৰ অগ্ৰণী নেতা ভূপেন দাসৰ যোৱা নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত দাসৰ বয়স আছিল ৬০ বছৰ। যকৃৎ ৰোগত আক্ৰান্ত দাসক কিছুদিন পূৰ্বে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। সদ্য প্ৰয়াত দাসে অসম আন্দোলনৰ অগ্ৰণী নেতা হিচাপে আগভাগ লোৱাৰ উপৰি বিজনী ৰঙালী উদযাপন সমন্বয় সমিতি, অসম নাট্য সন্মিলনৰ বিজনী শাখা, বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে বিজনী জিলা ক্ৰীড়া সন্থাৰ সৈতে জড়িত আছিল। তেওঁ অসম ভলীবল দলৰ অধিনায়ক হিচাপেও দায়িত্ব পালন কৰিছিল। মৃত্যুৰ সময়ত দাসে জ্যেষ্ঠ ভাতৃ তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, পত্নী, পুত্ৰ, কন্যাৰ লগতে বহু গুণমুগ্ধক এৰি থৈ যায়। আজি তেওঁৰ নশ্বৰদেহ বিজনীৰ বাসভৱনলৈ অনাৰ পাছত বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী, প্ৰাক্তন বিধায়ক ভূপেন ৰায়, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়সহ কেইবাটাও দল-সংগঠনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ooooo

সমাপ্ত